**2014**

ASSAMESE

( Major )

Paper : 4.2

*Full Marks* : 75

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। সম্পূৰ্ণ বাক্যত উত্তৰ লিখা : ১×৭=৭

(ক) মিথিউ আৰ্নল্ডৰ মতে সংস্কৃতি কি?

(খ) 'নৰ্ডিক' পদটোৱে কোনটো জনগোষ্ঠীক সূচায়?

(গ) *Bihu : Spring Time Festival of Assam* গ্ৰন্থখনৰ লেখক কোন?

(ঘ) অসমত বসবাস কৰা মাতৃসূত্ৰীয় জনগোষ্ঠী এটাৰ নাম লিখা।

(ঙ) অসমৰ পুৰণি শক্তিপীঠ এখনৰ নাম লিখা।

(চ) বিষ্ণুৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰা পুৰাণ এখনৰ নাম লিখা।

(ছ) লোকসংস্কৃতিৰ সমাৰ্থক হিচাবে কি পদ ব্যৱহাৰ কৰা হয়?

২। চমু উত্তৰ লিখা : ২×৬=১২

(ক) অসমত বসবাস কৰা চাৰিটা জনজাতিৰ নাম উল্লেখ কৰি তেওঁলোক প্ৰধানভাৱে থকা একোখনকৈ জিলাৰ নাম লিখা।

(খ) লোকবিশ্বাসসমূহক কি কি শ্ৰেণীত বিভক্ত কৰিব পাৰি?

(গ) প্ৰাচীন অসমত কেতিয়াৰ পৰা বৈষ্ণৱধৰ্ম প্ৰচলিত হৈছিল বুলি অনুমান কৰা হৈছে?

(ঘ) উৎসৱ-অনুষ্ঠানৰ সংযুতি কি?

(ঙ) সংস্কৃতিৰ সমাহৰণ (process of synthesis) বুলিলে কি বুজা?

(চ) সংস্কৃতিৰ প্ৰধান বৈশিষ্ট্যসমূহ কি কি?

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৪×৪=১৬

(ক) হাইদাং গীত *অথবা* লালিলাং গীত

(খ) চ'মাংকান *অথবা* পুষ্ণা

(গ) বৰপেটাৰ দৌল *অথবা* শিলঘাটৰ কামাখ্যা

(ঘ) খুলীয়া ভাউৰীয়া *অথবা* ঢেপাচুলীয়া

(ঙ) জাপি *অথবা* পাগুৰি

(চ) ঢেঁকী *অথবা* তাঁতশালৰ লগত জড়িত লোকবিশ্বাস

৪। (ক) অসমৰ লোকসংস্কৃতিক কেইটা ভাগত ভগাব পাৰি? প্ৰতিটো ভাগৰে চমুকৈ উল্লেখ কৰা। ২+৮=১০

*অথবা*

লোকসংস্কৃতিৰ কেইটামান সংজ্ঞা উল্লেখ কৰা। কোনটো সংজ্ঞা নিৰ্ভৰযোগ্য বুলি ভাবা, যুক্তিসহ আলোচনা কৰা। ৬+৪=১০

(খ) অসমীয়া জাতিগঠন সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা। ১০

*অথবা*

অসমীয়া সমাজত জনজাতীয় খাদ্যাভ্যাসৰ প্ৰভাৱৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(গ) সমাজ আৰু সংস্কৃতিৰ সম্পৰ্ক বিচাৰ কৰা। ১০

*অথবা*

জন্ম, মৃত্যু আৰু বিবাহৰ লগত জড়িত লোকাচাৰসমূহ উল্লেখ কৰা।

(ঘ) পুৰণি অসমৰ শৈৱধৰ্মৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা। ১০

*অথবা*

কৈৱাতজ ধৰ্ম সম্বন্ধে এটি নিবন্ধ যুগুত কৰা।

★★★